# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
# ASSAM JATIYA BIDYALAY EDUCATION COUNCIL

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020

Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com


প্ৰসংগ ঃ এজবেক/০৩/০৪/২০২২-২৩
Ref :

তাৰিখ ঃ ১৩-০৫-২০২২
Date :

প্ৰতি,

মাননীয় সভাপতি/সচিব
জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতি (সকলো)

বিষয় : ৮ জুলাই, ২০২২ৰ পৰা অসম জাতীয় বিদ্যালয়, নুনমাটিত অনুষ্ঠিত হ'বলগীয়া এজবেক শিক্ষক-প্ৰশিক্ষণ।

মহাশয়/মহাশয়া,

আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে অহা ৮ জুলাই, ২০২২ৰ পৰা অসম জাতীয় বিদ্যালয় চৌহদত এজবেক কেন্দ্ৰীয় শিক্ষক প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। এইবাৰৰ প্ৰশিক্ষণ কাৰ্য্যসূচী 'প্ৰশিক্ষকৰ বাবে প্ৰশিক্ষণ' (Training of Trainers–TOT) পদ্ধতিত আয়োজন কৰা হৈছে। ইয়াৰ উদ্দেশ্য হৈছে— উক্ত প্ৰশিক্ষণত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীৰ মাজৰ পৰা এক মানসম্পন্ন আৰু বস্তুনিষ্ঠ মূল্যায়ন ব্যৱস্থাৰে এচাম শিক্ষক/শিক্ষয়িত্ৰীক ভৱিষ্যতৰ প্ৰশিক্ষক হিচাপে বাছনি কৰা। তেখেতসকলক এজবেকৰ ফালৰ পৰা নিৰ্দিষ্ট প্ৰমাণ-পত্ৰ প্ৰদান কৰা হ'ব। এনে নিৰ্বাচিত প্ৰশিক্ষকসকলৰ তালিকা এজবেকৰ কাৰ্য্যালয়ত ৰখা হ'ব আৰু জিলা সমন্বয়ৰক্ষী সমিতিকো জনোৱা হ'ব। এজবেকৰ দ্বাৰা আয়োজন কৰিব লগীয়া ভৱিষ্যতৰ যিকোনো পৰ্য্যায়ৰ শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচীত এই তালিকাৰ পৰাও প্ৰশিক্ষক নিয়োগ কৰা হ'ব।

প্ৰশিক্ষণত অন্তৰ্ভুক্ত হ'ব লগা বিষয়বোৰ হ'ল— অসমীয়া, ইংৰাজী, সমাজ বিজ্ঞান, গণিত, বিজ্ঞান আৰু হিন্দী। প্ৰস্তাৱিত 'টিঅ'টি' (TOT)ৰ বাবে প্ৰতিখন জিলা সমিতিয়ে প্ৰতিটো বিষয়ৰ বাবে ৫ৰ পৰা ১০ গৰাকীকৈ শিক্ষক/শিক্ষয়িত্ৰীৰ নাম এজবেকলৈ প্ৰেৰণ কৰিব। এনে শিক্ষক/শিক্ষয়িত্ৰী বাছনি কৰোঁতে অৰ্হতা, আগ্ৰহ, নিষ্ঠা, আচাৰ-ব্যৱহাৰ, শিক্ষাৰ্থীৰ লগত একাত্মতা, শিক্ষাদানৰ মান, অভিজ্ঞতা, কৰ্মতৎপৰতা আদি সকলো দিশ বিবেচনা কৰাৰ প্ৰয়োজন। কোনো বিষয়ত পূৰ্বতে প্ৰশিক্ষণ লোৱা শিক্ষকৰ নামো এই বিশেষ প্ৰশিক্ষণৰ বাবে পঠিয়াব পাৰিব।

জিলা সমন্বয়ৰক্ষী সমিতিৰ পৰা পোৱা তালিকাৰ পৰা প্ৰতিটো বিষয়ৰ TOTৰ বাবে সৰ্বাধিক ৬০ গৰাকী প্ৰশিক্ষাৰ্থী বাছনি কৰা হ'ব। প্ৰথম পৰ্য্যায়ত বাছনিভুক্ত নোহোৱা শিক্ষক/শিক্ষয়িত্ৰী হয়তো পাছৰ পৰ্য্যায়ৰ TOTৰ বাবে বাছনিভুক্ত হ'ব পাৰে।

ইয়াৰ লগতে দিয়া নিৰ্ধাৰিত প্ৰপত্ৰখনত সকলো তথ্য সন্নিৱিষ্ট কৰি প্ৰশিক্ষাৰ্থীৰ নাম AJBEC Academic হোৱাটছ এপ গ্ৰুপত বা ajbecghy@gmail.com ইমেইলযোগে অহা ৩১ মে', ২০২২ তাৰিখৰ ভিতৰত পঠিয়াবলৈ অনুৰোধ জনোৱা হ'ল। প্ৰশিক্ষণৰ বিতং কাৰ্য্যসূচী যথা সময়ত জনোৱা হ'ব।

সকলোৰে সহযোগিতা আশা কৰিলোঁ।

(ডাঃ নাৰায়ণ শৰ্মা)
সচিব,
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

(অপৰাজিতা দত্ত)
সমন্বয়ক
এজবেক, শিক্ষক প্ৰশিক্ষণ

Form-3

# এজবেক কেন্দ্ৰীয় শিক্ষক প্ৰশিক্ষণ, ২০২২-২৩ শিক্ষাবৰ্ষ

## প্ৰশিক্ষাৰ্থীৰ বিতং তথ্য

(প্ৰশিক্ষাৰ্থীয়ে নিজে পূৰাব, জিলা সমন্বয়ৰক্ষী সমিতিয়ে পঠিয়াব)

প্ৰশিক্ষাৰ্থীৰ নাম :

ঘৰৰ ঠিকনা :

জন্মৰ তাৰিখ :

ফোন নং :

বিদ্যালয়ৰ নাম (বৰ্তমান কৰ্মৰত) :

জিলা :

শিক্ষাগত অৰ্হতা (স্নাতক/স্নাতকোত্তৰ) :

বিষয় (স্নাতকোত্তৰ শ্ৰেণীত)

স্নাতক (মেজৰ) :

অন্যান্য (বি. এড. ইত্যাদি) :

শিক্ষাদানৰ অভিজ্ঞতা : মুঠ .................................... বছৰ

শিক্ষক হিচাপে চাকৰি কাল........................ পৰা ................. লৈ

শিক্ষানুষ্ঠানৰ নাম : ১।

২।

অন্যান্য বিষয়ত পাৰদৰ্শিতা :

আগতে অইন কোনো প্ৰশিক্ষণত অংশগ্ৰহণ
কৰিছিল যদি তাৰ বিতং তথ্য :

জিলা সমন্বয়ৰক্ষী সমিতিৰ
সভাপতি/সম্পাদকৰ চহী

প্ৰশিক্ষাৰ্থীৰ চহী